**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-06-2025 **Time :** 1205Hrs.

## <u>Assamese Midday Bulletin</u>

উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা চমুকৈ আবিলকৰ পৰিচালনা সমিতিৰ সভাপতি তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সভাপতিত্বত কালি দিছপুৰৰ জনতা ভৱনত এখন সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ মৰ্মে এখন ডীমড্ বিশ্ববিদ্যালয় হিচাপে সংস্থাটো অধিক শক্তিশালীকৰণৰ লগতে **আনন্দৰাম বৰুৱা সমাজ বিজ্ঞান গৱেষণা পৰিষদ** নামেৰে ইয়াৰ নামকৰণৰ প্ৰস্তাৱকলৈ বিস্তৃত আলোচনা কৰা হয়। সভাত আবিলকৰ সঞ্চালিকা ড০ সুদেষ্ণা ভট্টাচাৰ্য্যৰ লগতে সংস্থাটোৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকি অসমৰ ভাষা-সাহিত্য-কলা-সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা স্বায়ত্বশাসিত গৱেষণা সংস্থাটোক সমাজ বিজ্ঞানৰ আগশাৰীৰ প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ পুৰীয়ে অহা কেইবা মাহৰ বাবে ভাৰতত ইন্ধন যোগান পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি প্ৰকাশ কৰিছে। কালি পেট্ৰ'লিয়াম সচিব আৰু ৰাজহুৱা শক্তি খণ্ডৰ মুৰববীসকলৰ সৈতে হোৱা পৰ্যালোচনা বৈঠকৰ অন্তত মন্ত্ৰী শ্ৰী পুৰীয়ে সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ইজৰাইলে ইৰানৰ ওপৰত কৰা আক্ৰমণৰ ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰত ইন্ধনৰ মূল্য যথেষ্ট বৃদ্ধি পোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক এই আশ্বাস প্ৰদান কৰে।

ইপিনে, ইৰাণে ইজৰাইলৰ আক্ৰমণৰ প্ৰত্যুত্তৰত যোৱা নিশা ইজৰাইলী চহৰত শতাধিক ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলায়। ইৰাণে এই প্ৰত্যাক্ৰমণক **অপাৰেচন ছিভিয়েৰ পানিছমেণ্ট** নাম দিছে। ১৯৮০ চনত ইৰাকৰ সৈতে যুদ্ধৰ পাছত ইজৰাইলে ইৰাণৰ বিৰুদ্ধে চলোৱা সৰ্ববৃহৎ সামৰিক অভিযানৰ কেইঘণ্টামানৰ পাছতে ইৰানে এই প্ৰত্যাক্ৰমণ কৰে। ইজৰাইলে বৃহস্পতিবাৰে নিশা ইৰাণৰ পাৰমানবিক প্ৰকল্প, বেলিষ্টিক ক্ষেপনাস্ত্ৰ কাৰখানা আৰু জ্যেষ্ঠ সেনাবাহিনীৰ নেতাক লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে আক্ৰমণ সংঘটিত কৰে। আক্ৰমণত ইৰাণৰ ইছলামিক ৰিভলিউশ্যনেৰী গাৰ্ডৰ কামাণ্ডাৰ ইন চীফ জেনেৰেল হোছেইন ছালামী আৰু দেশখনৰ নিৰাপত্তা বাহিনীসমূহৰ মুৰববী মহম্মদ বাঘেৰী, পাৰমানবিক শক্তি সন্থাৰ পূৰ্বৰ মুৰববী ফেৰেইডুন আববাছিকে ধৰি কেইবাগৰাকীও ক্ষমতাশালী লোক নিহত হয়।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ ডংকামকাম বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় অন্তৰ্গত কাৰ্বি ৰংছপিত আজি পুৱতি নিশা অঞ্চলটোৰ লোকে এটা বনৰীয়া হাতী পোৱালি উদ্ধাৰ কৰে। হাতীৰ জাকৰ পৰা বিচ্ছিন্ন হৈ অকলশৰে ঘূৰি ফুৰা হাতী পোৱালিটো উদ্ধাৰ কৰি ৰাইজে বন বিভাগক চমজাই দিয়ে। বন বিভাগে হাতী পোৱালিটোক প্ৰাথমিক চিকিৎসা প্ৰদান কৰিছে। পাছত পোৱালিটো কাজিৰঙা বনাঞ্চলত এৰি দিয়া হ'ব বুলি বিভাগীয় সূত্ৰৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

অসমীয়া আধুনিক সংগীত পুৰোধা শিল্পী দিলীপ শৰ্মাৰ জন্মশতবৰ্ষ আজি এটা বক্তৃতা আৰু সাংস্কৃতিক অনুষ্ঠানেৰে শুভাৰম্ভ কৰা হ'ব। গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত বিয়লি ৫ বজাত হ'বলগীয়া এই অনুষ্ঠান ড০ হীৰেণ গোহাঁইয়ে উদ্বোধন কৰিব। গণনাট্য সংঘৰ কৰ্মী তথা বিশিষ্ট সংগীত শিল্পী শুভপ্ৰসাদ নন্দী মজুমদাৰে অনুষ্ঠানত মূল বক্তৃতা দিব। এই উদ্বোধনী অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক সংগঠনে সাংস্কৃতিক পৰিবেশন কৰিব। উল্লেখযোগ্য যে, জ্যোতি সংগীত, ৰবীন্দ্ৰ সংগীতৰ একনিষ্ঠ সাধক দিলীপ শৰ্মাৰ জন্মশতবাৰ্ষিকীত ৰাজ্যৰ বিভিন্ন ঠাইত উদযাপন কৰা হ'ব। গণশিল্পী দিলীপ শৰ্মা জন্মশতবৰ্ষ উদযাপন সমিতিৰ সম্পাদক কমলেশ গুপ্ত আৰু সভাপতি কীৰ্তিকমল ভূঞাই এই কথা জানিবলৈ দিয়ে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত আজি বৈঠালাংছ' উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আয়ুষৰ জিলা নডেল বিষয়া ডাঃ অৰিয়েল ক্ৰামচাই মুকলি কৰা এই যোগাসন প্ৰতিযোগিতা চাৰিটা শাখাত অনুষ্ঠিত কৰা হৈছে। প্ৰতিযোগিতাত জিলাখনৰ ভালেসংখ্যক প্ৰতিযোগীয়ে যোগাসনৰ বিভিন্ন মুদ্ৰা প্ৰদৰ্শন কৰে।

০০০০০০০

২০২৪ বৰ্ষৰ স্বাধীনতা দিৱসত গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাটাও স্থানত বিস্ফোৰণৰ পৰিকল্পনাৰে বোমা সংস্থাপন কৰা ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাই আলফা স্বাধীনৰ তিনিজন সদস্যৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছে। তদন্তকাৰী সংস্থাটোৱে এই অভিযোগনামাত আলফা স্বাধীনৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ উপৰি অভিজিৎ গগৈ আৰু জাহ্নু বৰুৱাৰ নাম উল্লেখ কৰিছে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অসম মেঘালয় সীমান্তৱৰ্তী দক্ষিণ শালামাৰা দ্বিতীয় খণ্ড গাঁৱত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই হেৰ'ইন আৰু নিচাজাতীয় টেবলেটসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজন দক্ষিণ শালামাৰাৰ টুমনী লাওঁখোলা কলেজ নগৰ গাঁৱৰ আব্দুল আৱাল আৰু প্ৰথম খণ্ড গাঁৱৰ ফিৰোজ আহমেদ বুলি আমাৰ সংবাদদাতাই জনাইছে। আৰক্ষীয়ে আজি সৰবৰাহকাৰী দুজনক হাটশিঙিমাৰী জিলা ছেছন ন্যায়াধীশ আদালতত হাজিৰ কৰাব।

০০০০০০০

**সমাপ্ত**